# এম. সত্যনাৰায়ণ মূৰ্তি আৰু অন্যান্য।

## বনাম

## মণ্ডল ৰাজহ বিষয়া আৰু ভূমি অধিগ্ৰহণকাৰী বিষয়া

২৫ আগষ্ট, ১৯৯৮

( ন্যায়াধীশ ডঃ এ.এছ. আনন্দ আৰু জি.টি. নানাৱতী )

ভাৰতৰ সংবিধান, ১৯৫০ :

অনুচ্ছেদ ১৩৭- পুনৰীক্ষণ-দ্বিতীয় পৰ্যালোচনা-পলম কৰা- ব্যাখ্যা সন্তোষজনক আৰু যুক্তিসংগত নহয় -কোৱা হৈছে, একে আদেশৰ বিৰুদ্ধে একেৰাহে পৰ্যালোচনা আবেদনৰ অনুমোদিত নহয় কাৰণ নথীত স্পষ্ট কোনো ভুল উলিয়াই অনা হোৱা নাই-দ্বিতীয় পৰ্যালোচনা আবেদন দাখিল কৰাটো আদালতৰ প্ৰক্ৰিয়াৰ অপব্যৱহাৰ-পুনৰীক্ষণ আবেদন খৰচৰ সৈতে খাৰিজ কৰা হৈছে –পুনৰীক্ষণ-সীমাবদ্ধতা।

**দেৱানী আপীল অধিকাৰক্ষেত্ৰ** : **পুনৰীক্ষণ আবেদন নং আৰ পি ডি নং ১৭৫৭৩/১৯৯৮ চন ।**

**দেৱানী আপীল নং ৮৭৪৩-৮৭৪৫/১৯৯৪ চনৰ গোচৰত।**

অন্ধ্ৰ প্ৰদেশ উচ্চ ন্যায়ালয়ৰ গোচৰ এ. নং ৪৯৭, ৬৪৪/৯১ আৰু এ.এছ. নং ১৩৫০/ ১৯৯১ চনৰ ২৯.৯.৯৪ তাৰিখৰ ৰায় আৰু আদেশৰ পৰা ।

আবেদনকাৰী/আপিলকাৰীৰ হৈ বিমল ডেভ।

আদালতৰ তলত দিয়া আদেশ দিয়া হৈছিল :

এই পুনৰীক্ষণ আবেদন দাখিল কৰাত ২ বছৰ আৰু ৩২১ দিনৰ পলম হৈছে। পলমৰ বাবে মাফ বিচৰা আবেদনখনত উল্লেখ কৰা পলমৰ ব্যাখ্যা সম্পূৰ্ণ অসন্তুষ্টিজনক আৰু একেবাৰেই যুক্তিসংগত নহয়। ইয়াৰ উপৰিও আমি এইটোও দেখিবলৈ পাওঁ যে আবেদনকাৰীসকলে ইয়াৰ পূৰ্বেও একেটা আদেশৰ বিৰুদ্ধে ১৯৯৫ চনৰ ২১৪ নং পৰ্যালোচনা আবেদন দাখিল কৰিছিল , যিটো এই আদালতে ২২.২.১৯৯৫ তাৰিখে খাৰিজ কৰিছিল। পুনৰীক্ষণ আবেদনৰ স্মাৰকপত্ৰ

আৰু পলমৰ বাবে মাফ বিচৰা আবেদন দুয়োটাতে , যদিও এই তথ্য উল্লেখ কৰা হৈছে , কিন্তু পুনৰীক্ষণ আবেদনৰ সংখ্যাটো খালী ৰখা হৈছে আৰু সেইদৰে একেখনেই খাৰিজ হোৱাৰ তাৰিখটোও খালী কৰা হৈছে। ইয়াৰ পৰা দেখা যায় যে এই দ্বিতীয়খন পুনৰীক্ষণ আবেদন ন গুৰুত্বহীন ভাবে দাখিল কৰা হৈছিল।একেটা আদেশৰ বিৰুদ্ধে একেৰাহে পুনৰীক্ষণ আবেদনৰ আশ্ৰয় লোৱাটো অধিক অনুমোদিত নহয় কাৰণ নথীত স্পষ্ট কোনো ভুল উলিয়াই অনা হোৱা নাছিল। আমাৰ বোধেৰে আবেদনকাৰীসকলে অপ্ৰয়োজনীয়ভাৱে স্বাধীনতা লৈছে। দ্বিতীয় পুনৰীক্ষণ আবেদন দাখিল কৰাটো আদালতৰ প্ৰক্ৰিয়াৰ অপব্যৱহাৰ। আমি, সেয়েহে, এই পুনৰীক্ষণ আবেদনখন অস্পষ্ট অতিৰিক্ত পলমৰ ভিত্তিত আৰু যোগ্যতাৰ ভিত্তিত ৫ ,০০০ টকা খৰচ হিচাপে দি খাৰিজ কৰিছো।

আবেদন খাৰিজ কৰা হৈছে।

*অনুবাদক-প্ৰণব জ্যোতি বৰা*

*জ্যেষ্ঠ অনুবাদক*

*গুৱাহাটী উচ্চ ন্যায়ালয়*